**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 21-03-2026 **Time :** 1100 Hrs.

ৰাজ্যজুৰি আজি পবিত্ৰ ঈদ-উল-ফিটৰ উলহ-মালহেৰে পালন কৰা হৈছে। মাহজোৰা উপবাসৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদ-উল-ফিটৰ পালন কৰিছে। ঈদ উপলক্ষে আজি ঈদগাহ আৰু মছজিদসমূহত পবিত্ৰ নামাজৰ অনুষ্ঠিত হয়। গুৱাহাটীৰ গাড়ীগাঁও ঈদগাহ ময়দান, জালুকাৰী, মাছখোৱা, ইছলামপুৰ, হাতীগাঁও-শিজুবাৰী ইদগাহ, পাঞ্জাবাৰী, দক্ষিণগাঁৱকে ধৰি বিভিন্ন ঈদগাহ-মছজিদসমূহত নামাজ পঢ়া হয়। গোৱালপাৰা জিলাৰো বিভিন্ন স্থানত পুৱাৰে পৰা ঈদৰ সমূহীয়া নামাজ অনুষ্ঠিত হৈছে। শিলচৰ চহৰৰ মূল ঈদগাহ, ইটখোলা ঈদগাহতো সমূহীয়া নামাজৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঈদৰ শুভেচ্ছা জনাইছে।

০০০০০

———সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কালি বিজেপিকে ধৰি কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, অসম গণ পৰিষদ, ইউ পি পি এল, বি পি এফকে ধৰি কেইবাটাও ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

ৰাজ্যখনৰ প্ৰায় আটাইকেইখন জিলাৰ কেইবাটাও সমষ্টিত কালি ১০৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। এতিয়ালৈকে ১১৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ প্ৰাৰ্থী হিচাপে কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জালুকবাৰী সমষ্টিৰ প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰাৰ লগতে, জাগীৰোড সমষ্টিৰ বাবে মন্ত্ৰী পীযুষ হাজৰিকাই মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। বিৰোধী দলপতি তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই নাজিৰা সমষ্টিৰ বাবে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত, ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে শিৱসাগৰ সমষ্টিৰ বাবে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ বাবে ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

আনহাতে, কালিৰ দিনটোতে ৰাইজৰ দলৰ জ্ঞানশ্ৰী বৰাই মৰিয়নি সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখাং বিধানসভা সমষ্টিৰ প্ৰাৰ্থী বিপুল গগৈ, নাহৰকটীয়া বিধানসভা সমষ্টিৰ প্ৰাৰ্থী প্ৰণতি ফুকন, দুলীয়াজান বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি গগৈ, চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ প্ৰাৰ্থী প্ৰাঞ্জল ঘাটোৱাৰ, ডিব্ৰুগড় সদৰ সমষ্টিৰ বিৰোধী ঐক্যৰ উমৈহতীয়া প্ৰাৰ্থী মৈনাক পাত্ৰই কালিৰ দিনটোতে মনোনয়ন পত্ৰ দাখিল কৰে। একেদৰে শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ ৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ঢেকিয়াজুলিৰ বিজেপি প্ৰাৰ্থী অশোক সিংহল, বৰছলাৰ বিজেপি প্ৰাৰ্থী ঋতুবৰণ শৰ্মা, ৰঙাপৰাৰ বিজেপি প্ৰাৰ্থী কৃষ্ণকমল তাঁতী, নদুৱাৰৰ

বিজেপি প্ৰাৰ্থী পদ্ম হাজৰিকা, বৰছলাৰ কংগ্ৰেছ প্ৰাৰ্থী ৰিপুণ বৰা, এছ ইউ চি আইৰ চম্পা কুৰ্মী আৰু তেজপুৰৰ এছ ইউ চি আইৰ প্ৰাৰ্থী নয়নমণি চৌধুৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

উল্লেখযোগ্য যে অহা ২৩ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন।

০০০০০০০

শেহতীয়াকৈ কিছুদিন বন্ধ হৈ থকা মাজুলীৰ কমলাবাৰী-নিমাতি ফেৰী সেৱা আজিৰেপৰা পুনৰ পুৰণি কমলাবাৰী ঘাটেৰে আৰম্ভ হৈছে। যাত্ৰীসকললৈ আভ্যন্তৰীণ জল পৰিবহণ বিভাগে অফলাইন-অনলাইন দুয়োটা শিতানতে টিকটৰ সুবিধা প্ৰদান কৰাৰ লগতে প্ৰতি ডেৰ ঘণ্টাৰ মূৰে মূৰে ফেৰী সেৱা উপলব্ধ থাকিব।

০০০০০০০

বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰতিগৰাকী প্ৰাৰ্থীয়ে এতিয়াৰেপৰা মনোনয়ন দাখিল কৰাৰ সময়ত তেওঁলোকৰ ব্যৱহৃত প্ৰতিটো ছ'চিয়েল মিডিয়া একাউণ্টৰ সঠিক তথ্য শপতনামাত উল্লেখ কৰিব লাগিব। প্ৰাৰ্থীসকলৰ অনলাইন কাৰ্যকলাপৰ ওপৰত নজৰ ৰখা আৰু ভুৱা প্ৰচাৰ বন্ধ কৰাৰ বাবে নিৰ্বাচন আয়োগে এই ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

অসমৰ মুখ্য সচিব ড° ৰবি কোটাই কালি নলবাৰী জিলাৰ নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। নলবাৰী জিলা আয়ুক্তৰ সভাকক্ষত আয়োজিত এখন পৰ্যালোচনা সভাত নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাসৰ সৈতে তেওঁ নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তসকলৰ লগতে নিৰ্বাচনৰ কামত জড়িত বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

ইফালে, অসম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নলবাৰী জিলাৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া নিবেদন দাস পাটোৱাৰীয়ে জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়, বেংক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আদি দেওবাৰ আৰু অন্য চৰকাৰী বন্ধৰ দিনতো খোলা ৰখাৰ নিৰ্দেশ জাৰি কৰিছে। নিৰ্বাচনৰ কাম-কাজ অন্ত নপৰালৈকে এই নিৰ্দেশনা বাহাল থাকিব।

০০০০০০০

ডিব্ৰুগড় জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি সন্ধিয়া সমাগত বিধানসভা নিৰ্বাচন সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। সভাত ৰাজ্যিক প্ৰভাৰী হৰিশ ত্ৰিবেদীয়ে ভাষণ দিয়াৰ লগতে ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰভাৰী বিজয় বাঘেল, ছটা সমষ্টিৰ প্ৰভাৰী কাৰ্যকৰ্তা, বিস্তাৰকসকলৰ লগতে ডিব্ৰুগড় জিলা সভাপতি দুলাল বৰা আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **অসম বিধানসভা নিৰ্বাচন-২০২৬** শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত বিজেপিৰ মুখপাত্ৰ ৰঞ্জীৱ কুমাৰ শৰ্মা আৰু কংগ্ৰেছৰ মুখপাত্ৰ ৰূপক দাস অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব অৰূপ কুমাৰ শৰ্মা আৰু অৰুণিমা গোস্বামীয়ে।

০০০০০০০

**সমাপ্ত**